আজিৰ কাকত আজিয়েই
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

THURSDAY, JANUARY 4, 2024>> 10 PM www.newsnextone.comৰ অনলাইন নৈশ দৈনিক ।।প্ৰথম বছৰ, সংখ্যা ১০ Guwahati, Assam ।। মূল্যঃ এটকা

## সাগৰ দেখিছা?



লক্ষদ্বীপ ভ্ৰমণৰ সময়ত এইদৰে সাগৰীয় সৌন্দৰ্যত ডুব যোৱা দেখা গ'ল প্ৰধানমন্ত্ৰীক

# গ্ৰন্থমেলাত অপমানিত কবি!

## হঠাৎ প্ৰত্যাহাৰ কৰিলে নিমন্ত্ৰণ

**ই-সংবাদ, ৪ জানুৱাৰীঃ** ৰজাঘৰীয়াক লৈ বিদ্ৰুপাত্মক কবিতা লিখা বাবেই ৰাজ্য চৰকাৰে পৰিচালনা কৰা গ্ৰন্থমেলাত অপমানিত হ'ল ৰাজ্যৰ এগৰাকী বিশিষ্ট কবি। গ্ৰন্থ উন্মোচনী সভালৈ নিমন্ত্ৰণ জনাই সভাৰ পৰা একপ্ৰকাৰ খেদি পঠিওৱা হ'ল কবিগৰাকীক। এই কথা খোদ প্ৰকাশ কৰিছে জনপ্ৰিয় কবি নীলিম কুমাৰে। ■ শেষাংশ ৩নং পৃষ্ঠাত




## অসমীয়াই মনৰ কথা ক'ব পাৰিব ৰাহুল গান্ধীকঃ ভূপেন বৰা

**ই-সংবাদ, নতুন দিল্লী, ৪ জানুৱাৰীঃ** ৰাহুল গান্ধীৰ ন্যায় যাত্ৰা সন্দৰ্ভত আজি নতুন দিল্লীত প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই সংবাদমেল সম্বোধন কৰে৷ ভূপেন বৰাই বৰ্তমানৰ আৰ্থিক বৈষম্য, ৰাজনৈতিক বৈষম্য, ■ শেষাংশ ২নং পৃষ্ঠাত

# শুকুৰবাৰে পুৱা ৫ বজাৰ পৰা চালকৰ প্ৰতিবাদত স্তব্ধ হ'ব ৰাজ্য

## কেন্দ্ৰৰ আইনৰ বিৰুদ্ধে অসমতো তীব্ৰ ক্ষোভ

**ষ্টাফ ৰিপ'ৰ্টাৰ, ৪ জানুৱাৰীঃ** কেন্দ্ৰীয় চৰকাৰৰ একনায়কত্ববাদী সিদ্ধান্তৰ বিৰুদ্ধে সমগ্ৰ দেশত চালকসকলে কৰা আন্দোলনৰ প্ৰভাৱ ৫ জানুৱাৰীৰ পৰা অসমতো পৰিব৷ কিয়নো ৫ আৰু ৬ জানুৱাৰীত অসমৰ বাণিজ্যিক বাহনৰ চালকে চ'কা বন্ধ কাৰ্যসূচী ঘোষণা কৰিছে৷ ৫ জানুৱাৰীৰ পুৱা ৫ বজাৰ পৰা ঘোষণা কৰা ৪৮ ঘণ্টীয়া চকা বন্ধ কাৰ্যসূচীৰ সময়ত ৰাজ্যৰ বাণিজ্যিক বাহনৰ চালকে পথৰ দাঁতিত গাড়ী থিয় কৰি ৰাখি অথবা চাবি মালিকক গতাই দি গাড়ী নচলোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে৷ এই বন্ধ যদি কোনো কাৰণত প্ৰত্যাহাৰ কৰা নহয় তেন্তে ৫ জানুৱাৰীৰ ■ শেষাংশ ২নং পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা...

# ৫ জানুৱাৰীৰ পুৱা ৫ বজাৰ চালকৰ প্ৰতিবাদত

পুৱা ৫ বজাৰ পৰা ৯৯ শতাংশ বাণিজ্যিক বাহনৰ চলাচল বন্ধ থাকিব বুলি আশংকা কৰা হৈছে৷ যদি তেনে হয় তেন্তে সমগ্ৰ অসমত ৰন্ধন গেছ, পেট্ৰল-ডিজেলৰ ব্যাপক নাটনি হোৱাৰ লগতে খাদ্য-সামগ্ৰীৰ ব্যাপক নাটনি হোৱাৰ সম্ভাৱনা আছে৷ এই বন্ধৰ ফলত দুগ্ধজাত সামগ্ৰী, ঔষধ, মেডিকেলত ব্যৱহৃত অক্সিজেন আদিৰ নাটনি হ'ব পাৰে৷ ইতিমধ্যে ৪ জানুৱাৰীৰ আবেলিৰ পৰা বিভিন্ন তেল ডিপোত বাহনৰ দীঘলীয়া শাৰী দেখা যায়৷ দুদিন ধৰি তেলৰ সৰবৰাহ বন্ধ হ'লে পৰৱৰ্তী তিনিদিন তেলৰ নাটনি হ'ব পাৰে৷ ইপিনে এই বন্ধৰ ফলত দিবা-নৈশ বাছসমূহো বন্ধ থাকিব৷ ফলত দিবা-নৈশ বাছত যাত্ৰা কৰা দূৰণিবটীয়া যাত্ৰীসকলে আহুকালৰ সন্মুখীন পাৰে৷ আনহাতে বাছযোগে প্ৰতিদিনে চাকৰি তথা অন্যান্য কৰ্মলৈ আহ-যাহ কৰা লোকসকলেও বিপদত পৰিব৷ অসমৰ কিছু প্ৰান্তত খাদ্য-সামগ্ৰীৰো অভাৱ হ'ব পাৰে৷ গুৱাহাটী মহানগৰীতো এই বন্ধৰ প্ৰভাৱ দেখা যাব পাৰে৷ জানিব পৰা মতে, গুৱাহাটী মহানগৰীত অ'লা-উবেৰ, ব্যক্তিগত চিটিবাছো বন্ধ থাকিব৷ অ'লা-উবেৰ, ব্যক্তিগত চিটিবাছ বন্ধ হৈ পৰাৰ ফলত বিমান বন্দৰলৈ যাত্ৰা কৰা যাত্ৰীসকলে বিশেষ অসুবিধাত পৰিব৷ উল্লেখ্য যে বিগত কেইবাদিন ধৰি কেইবা লাখ চালকৰ জংগী আন্দোলনৰ ফলত সমগ্ৰ দেশত অচলাৱস্থাই বিৰাজ কৰিছে৷ চালকৰ আন্দোলনৰ ফলত বিভিন্ন প্ৰান্তত খাদ্য-সামগ্ৰীৰ তীব্ৰ নাটনিয়ে দেখা দিছে৷ কেন্দ্ৰীয় চৰকাৰে নিজ মইমতালিত কোনো আলোচনাত মিলিত নহৈ আইন গৃহীত কৰাত সমগ্ৰ দেশৰ চালকসকল ক্ষুন্ন হৈ ৰাজপথলৈ ওলাই আহিছে৷ এই আইন অনুযায়ী দুৰ্ঘটনাত সংঘটিত কৰা চালকজন দোষী সাব্যস্ত হ'লে ৭ লাখ টকা জৰিমনা আৰু ১০ বছৰ কাৰাবাসৰ বিধান আছে৷ এই কথা প্ৰচাৰ হোৱাৰ পাছতে সমগ্ৰ দেশৰ চালকসমাজ ৰাজপথলৈ ওলাই আহে৷ মহাৰাষ্ট্ৰ, পঞ্জাৱ, ছত্তীছগড়, পশ্চিমবংগ, হাৰিয়ানা, মধ্যপ্ৰদেশ আদি ৰাজ্যৰ লগতে অসমতো গাড়ী চালকৰ এই আন্দোলন আৰম্ভ হয়৷ অসমতো মটৰ শ্ৰমিকৰ যৌথ মঞ্চ সদৌ অসম মটৰ শ্ৰমিক যৌথ মঞ্চই ২ জানুৱাৰীত গুৱাহাটীত এখন সংবাদমেল অনুষ্ঠিত কৰি ৫ আৰু ৬ জানুৱাৰীত সমগ্ৰ অসমৰ বাণিজ্যিক বাহনৰ চকা বন্ধৰ কথা ঘোষণা কৰিছিল৷ মটৰ শ্ৰমিক যৌথ মঞ্চই এই বন্ধ ঘোষণা কৰি কেন্দ্ৰীয় চৰকাৰৰ নতুন আইনে চালকসকলৰ ভৱিষ্যত ধ্বংস কৰিব বুলি ক্ষোভ ব্যক্ত কৰিছিল৷ এই আইন বাতিল নোহোৱা পৰ্যন্ত প্ৰতিবাদ কৰি যোৱাৰ লগতে বন্ধৰ প্ৰতি অসমৰ প্ৰতিটো শ্ৰমিক আৰু মটৰ মালিক সংগঠনৰ সহযোগিতা কামনা কৰিছে৷ এই বন্ধক পূৰ্ণ সমৰ্থন জনাইছে চেভেন ষ্টেট টুৰিষ্ট কেব অপাৰেটৰ্ছ ইউনিয়নসহ বিভিন্ন মটৰ-শ্ৰমিক সংগঠনে৷ ২ জানুৱাৰীত অসমৰ বিভিন্ন প্ৰান্তত চালকসকলে প্ৰতিবাদ সাব্যস্ত কৰিছিল৷ বৰাক উপত্যকা, ধেমাজিৰ গোগামুখ আদি ঠাইত উত্তাল প্ৰতিবাদ সাব্যস্ত কৰিছিল৷ চৰকাৰে নতুন বছৰটোত দেশৰ লাখ লাখ চালকৰ ভৱিষ্যত অন্ধকাৰলৈ নমাই আনিছে বুলি অভিযোগ কৰি অসমৰ একাংশ চালকে মালিকপক্ষক গাড়ীৰ চাবি গতাই দিছিল। ধেমাজি জিলাৰ প্ৰায় ১২০০ চালকে বাহন নচলোৱাৰ সিদ্ধান্ত লোৱাৰ লগতে ডেৰশ চালকে মালিকক চাবি গতাই দিছিল৷ 'হিট এণ্ড ৰান' গোচৰৰ নতুন আইনৰ বিৰুদ্ধে পৰিবহন সন্থা আৰু চালকসকলৰ প্ৰতিবাদ সন্দৰ্ভত অল ইণ্ডিয়া মটৰ এণ্ড গুডছ ট্ৰান্সপোৰ্ট এছ'চিয়েশ্যনে কয় যে চালকৰ পৰামৰ্শ অবিহনে আইন অনাত এনে পৰিস্থিতিৰ উদ্ভৱ হৈছে৷ কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা নতুন আইনত চালকৰ বিৰুদ্ধে কঠোৰ ধাৰা সংলগ্ন কৰাত ক্ষোভিত হৈ কেইবাখনো ৰাজ্যত চালকসকলে গণ আন্দোলন আৰম্ভ কৰিছে৷ ট্ৰাক চালকসকলে নতুন আইনত 'হিট এণ্ড ৰান' গোচৰত কঠোৰ দণ্ড দিয়াত অসন্তুষ্টি প্ৰকাশ কৰে। চালকৰ প্ৰতিবাদ ভয়াৱহ হৈ পৰাৰ পিছতে নৰেন্দ্ৰ মোদী চৰকাৰ সাৰ পায় আৰু কৃষক আন্দোলনৰ পাছতে চালকৰ আন্দোলনক গুৰুত্ব দিবলৈ বাধ্য হৈ পৰে৷ কৃষক আন্দোলনত কেন্দ্ৰীয় চৰকাৰে তিনি ক'লা আইন বাতিল কৰিবলৈ বাধ্য হৈছিল৷ একেদৰে, চালকৰ চাৰিদিনীয়া আন্দোলনক ভয় কৰি কেন্দ্ৰীয় চৰকাৰে স্থিতি সলনি কৰিবলৈ বাধ্য হৈছে৷ চাৰিটা দিন প্ৰবল আন্দোলনৰ পাছতে চালকসকলৰ দাবীক লৈ বিচাৰ-বিবেচনা কৰিবলৈ বাধ্য হয় মোদী চৰকাৰ৷ কেন্দ্ৰীয় চৰকাৰে স্থিতি নমনীয় কৰি আলোচনাত বহিবলৈ বাধ্য হয়৷ 'হিট এণ্ড ৰান' গোচৰত নতুন জৰিমনা ব্যৱস্থাৰ বিৰুদ্ধে ট্ৰাক চালকসকলে দেশজুৰি প্ৰতিবাদ কৰাৰ ফলত কেইবাখনো ৰাজ্যত ইন্ধন আৰু অত্যাৱশ্যকীয় সামগ্ৰীৰ নাটনি হয়৷ কেন্দ্ৰীয় চৰকাৰে সৰ্বভাৰতীয় মটৰ পৰিবহন কংগ্ৰেছৰ শীৰ্ষ নেতৃত্বক মাতি নি এই আইন এতিয়াও কাৰ্যকৰী কৰা হোৱা নাই বুলি দাবী কৰিছে৷ কেন্দ্ৰীয় গৃহ বিভাগে কয় যে এই আইন এতিয়ালৈ কাৰ্যকৰী হোৱা নাই৷ মটৰ পৰিবহন সংগঠনৰ সৈতে আলোচনা কৰাৰ অন্ততহে এই আইন কাৰ্যকৰী কৰিব বুলি উল্লেখ কৰি চালকসকলক আন্দোলন পৰিহাৰ কৰিবলৈ আহ্বান জনায়৷

# অসমীয়াই মনৰ

সামাজিক বৈষম্যৰ বাবে বিজেপি দল জগৰীয়া বুলি মন্তব্য কৰে৷ এই তিনিটা বিষয়ৰ লগতে বিশেষকৈ নিবনুৱা সমস্যা, ছয় জনগোষ্ঠীৰ জনজাতিকৰণ, চাহ শ্ৰমিকৰ সমস্যা, বান-খহনীয়াক লৈ কংগ্ৰেছে কি ভাবিছে সেই কথাবোৰ ৮ দিনীয়া ভ্ৰমণত ৰাহুল গান্ধীয়ে ক'ব বুলি কয় বৰাই৷ ভূপেন বৰাই কয় "আমি বিভিন্ন জাতি-জনগোষ্ঠী, ভাষা, ধৰ্ম নিৰ্বিশেষে বিভিন্ন সম্প্ৰদায়, যুৱ প্ৰজন্ম, মহিলা, বিভিন্ন সংগঠন, ঐক্যমঞ্চৰ ১৫ বিৰোধী দলৰ নেতা, সাংস্কৃতিক সংগঠন, জাতীয় সংগঠনৰ সৈতে ৰাহুল গান্ধীয়ে মুখামুখি বাৰ্তালাপ কৰিব, মত বিনিময় কৰিব৷ যাতে ৰাহুল গান্ধীয়ে ৰাজ্যখনৰ বৰ্তমানৰ সমস্যাৰ কথা বুজি পাব পাৰে৷ পৰৱৰ্তী সময়ত যাতে ইণ্ডিয়া চৰকাৰ গঠন হ'লে কোনখিনি কথাক গুৰুত্ব দিব লাগে সেইখিনি কথা পুংখানুপুংখভাৱে আলোচনা কৰিবলৈ সিদ্ধান্ত লৈছো বুলি কয় সভাপতি ভূপেন বৰাই৷ ৰাহুল গান্ধীৰ এই যাত্ৰাকালত অসম প্ৰদেশ কংগ্ৰেছে এখন বৃহৎ বুথ সন্মিলন অনুষ্ঠিত কৰিব৷ য'ত বুথৰ সভাপতি, বিএলঅ'সকল উপস্থিত থাকিব৷ এই সন্মিলন সম্বোধন কৰিব ৰাহুল গান্ধীয়ে৷ আগন্তুক লোকসভা নিৰ্বাচনৰ বাবে প্ৰাৰ্থী তালিকা ঠিক কৰিবলৈ অসম প্ৰদেশ নিৰ্বাচনী সমিতিখন গঠন কৰিবলৈ ৰাষ্ট্ৰীয় কংগ্ৰেছৰ হাতত জমা দিয়াৰ কথা উল্লেখ কৰে ভূপেন বৰাই৷ এই সমিতি গঠনৰ সপ্তাহৰ পাছত ৭৯গৰাকী প্ৰাৰ্থীক লৈ জিলা আৰু ব্লকৰ পেনেল আহিব৷ প্ৰাৰ্থীৰ ক্ষেত্ৰত ৫ জানুৱাৰীৰ ভিতৰত ব্লকৰ মতামত, ১০ জানুৱাৰীৰ ভিতৰত জিলাৰ মতামত দিয়াৰ তাৰিখ আছিল যদিও ৰাহুল গান্ধীৰ ভ্ৰমণৰ বাবে ১৮ জানুৱাৰীত মতামত দিবলৈ কয় ভূপেন বৰাই৷

প্ৰথম পৃষ্ঠাৰ পৰা...

# গ্ৰন্থমেলাত অপমানিত কবি!

ফেচবুক পোষ্টৰ জৰিয়তে গ্ৰন্থমেলাত সন্মুখীন হোৱা এক নাভূত-নাশ্ৰুত পৰিস্থিতিৰ বিষয়ে প্ৰকাশ কৰে কবি নীলিম কুমাৰে। অৱশ্যে কথা প্ৰকাশ কৰি অপমানিত বোধ কৰাৰ বিপৰীতে কবিতাৰ জয় হোৱা বুলিহে দাবী কৰিলে কবিগৰাকীয়ে৷ ফেচবুক পোষ্টত কবি নীলিম কুমাৰে লিখিছে "কবিতাৰ কেনেকৈ জয় হ'ল শুনক৷ কালি অসম গ্ৰন্থমেলাত এটা ঘটনা ঘটিল৷ মোৰ জীৱনত এনে বিৰল আৰু অদ্ভুত ঘটনা আগতে কেতিয়াও ঘটা নাছিল৷ আৰু পৃথিৱীৰ কিমানজনৰ জীৱনত এনে ঘটনা ঘটিছে সন্দেহ আছে! ঘটনাটো হ'ল গ্ৰন্থমেলাৰ প্ৰাংগনত এখন কবিতাৰ কিতাপৰ উন্মোচনী অনুষ্ঠানলৈ মোক নিমন্ত্ৰণ জনোৱা হৈছিল৷ নিমন্ত্ৰণটো 'বাটত পালো কমাৰ, দা গঢ়াই দিয়া আমাৰ' জাতীয় নাছিল৷ তেওঁলোকে মোক নিমন্ত্ৰণ দিবলৈ মোৰ ঘৰলৈও গৈছিল৷ উন্মোচনৰ সময় আছিল গধুলি ৬ বজাত৷ সেই মৰ্মে মই যথা সময়ত উন্মোচনৰ স্থানত উপস্থিত হৈছিলো গৈ৷ মই ভিতৰত পাৰি থোৱা চকীত কিছু সময় বহিলো৷ কিন্তু কিবা কাৰণত অনুষ্ঠান আৰম্ভ কৰোতে দেৰি হৈ আছে৷ মই সুধিলো কথাটো কি? সুধি গম পালো যে অনুষ্ঠানটোলৈ তেওঁলোকৰ সঞ্চালকজনো অহা কথা৷ কিন্তু তেওঁ আহি পোৱা নাই৷ সেয়েহে তেওঁৰ কাৰণে ৰ'বলগীয়া হৈছে৷ মই ক'লো 'হ'ব কোনো কথা নাই৷ মোৰ একো দৌৰাদৌৰি নাই৷ এইখন বুক ফেয়াৰত ৰাতি পুলিচে উলিয়াই নিদিয়ালৈকে নোলাওঁ৷ সঞ্চালক নাহেহে নাহে৷ অনুষ্ঠানলৈ অহা অন্য মানুহো অধৈৰ্য হৈছে৷ এনে সময়তে ঘটনাটো ঘটিল৷ মোক নিমন্ত্ৰণ কৰা মানুহগৰাকীয়ে মোক অলপ আঁতৰলৈ মাতি নি ক'লে- 'দাদা, আপোনাৰ ওচৰত ক্ষমা বিচাৰিছো৷ আমাক মাফ কৰি দিব৷ আপোনাক কৰা নিমন্ত্ৰণটো আমি উঠাই লৈছো৷ মই বহু সময় একো বুজা নাই৷ মই ভাবিলো অনুষ্ঠানটো দেৰী হোৱা কাৰণে কৈছে নেকি! সেয়ে ময়ো কলো 'একো নাই, দেৰী হ'বই পাৰে৷ মোৰ একো সমস্যা হোৱা নাই৷' কিন্তু কথাটো সেইটো নহয়৷ কথাটো আছিল তেওঁলোকে মোৰ হতুৱাই উন্মোচনৰ কামটো কৰিব নোৱাৰে৷ গতিকে মই তাৰ পৰা আতৰিব লাগে৷ মোৰ উপস্থিতি তেওঁলোকৰ সমস্যা হৈছে৷ সেয়ে কৈছে 'নিমন্ত্ৰণটো উঠাই লোৱা হ'ল'৷ তেতিয়াহে মই কথাটো বুজিলো৷ মই ভিতৰে ভিতৰে হাঁহিলো৷ বুজিলো মোৰ কবিতাৰ জয় হৈছে৷ মোৰ কবিতাই কাৰোবাৰ সমস্যাৰ সৃষ্টি কৰিছে৷ মই তাৰ পৰা আঁতৰি আহিলো৷ আঁতৰি আহি সমুখৰ পিনে থকা 'সুগন্ধি পখিলা' নামৰ বিপণীত বৈ থকা দেখিলো কবি প্ৰণব কুমাৰ বৰ্মনক৷ প্ৰণৱে সুধিলে "কি হ'ল নীলিমদা উভতি আহিল যে?" মই ক'লো 'নিমন্ত্ৰণ উঠাই লৈছে'৷ কথাটো প্ৰণৱক কোৱাত সি বুজিলো৷ সি ক'লে 'আপুনি যদি আজি কামটো কৰিলেহেঁতেন, যিয়ে আপোনাক নিমন্ত্ৰণ কৰিছিল, তেওঁৰ চাকৰি গ'লহেঁতেন৷ প্ৰমাণ হ'ল যে কবিতাৰ জয় হৈছে' মই ক'লো হয়৷ এই অভিজ্ঞতাই আনন্দহে দিলো৷ কবিতাৰ শক্তিৰ কথা ক'লো৷ নহয়নে ৰাইজ?"

এই পোষ্টৰ পিছতে এতিয়া নেটিজেনসকলে ক্ষোভ ব্যক্ত কৰিছে আৰু এনে ঘটনাক দুৰ্ভাগ্যজনক আখ্যা দিছে। উল্লেখ্য যে ৰজাঘৰীয়াই সংঘটিত কৰা ভূমি কেলেংকাৰীক লৈ কবিতা লিখি ব্যাপক চৰ্চিত হৈছিল কবি নীলিম কুমাৰ৷ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ পত্নী ৰিণিকি ভূঞা শৰ্মাৰ ভূমি কেলেংকাৰীৰ অভিযোগ পোহৰলৈ অহাৰ পাছতে 'সেই জন্তুটোৰ নাম কি?' শীৰ্ষক কবিতা লিখি শব্দৰ মাধ্যমেৰে ৰজাঘৰীয়াক কটাক্ষ কৰিছিল কবিগৰাকীয়ে। নীলিম কুমাৰৰ এই কবিতা প্ৰকাশৰ পিছতে তোলপাৰ লাগিছিল সামাজিক মাধ্যম। অৱশ্যে কবিতাৰ জৰিয়তে ৰজাঘৰীয়াক সমালোচনা কৰি একাংশ নেটিজেনৰ কটু কথাও শুনিবলগীয়া হৈছিল কবি নীলিম কুমাৰে।

# সৰ্বভাৰতীয় নৃত্য, নাট্য, লোক সংগীত মহোৎসৱক লৈ দেৰগাঁৱত উদুলি-মুদুলি পৰিৱেশ

**ই-সংবাদ, গোলাঘাট, ৪ জানুৱাৰীঃ** সৰ্বভাৰতীয় নৃত্য, নাট্য, লোক সংগীত মহোৎসৱ আৰু নৃত্যাঞ্জলি বঁটা-২০২৪ শীৰ্ষক অনুষ্ঠানকলৈ গোলাঘাট জিলাৰ দেৰগাঁৱত উদুলি-মুদুলি পৰিবেশৰ সৃষ্টি হৈছে৷ আজি পৰা আৰম্ভ হোৱা সৰ্বভাৰতীয় নৃত্য, নাট্য, লোক সংগীত মহোৎসৱ আৰু নৃত্যাঞ্জলি বঁটা-২০২৪ অনুষ্ঠান দেৰগাঁৰৰ নৰেন শৰ্মা স্মৃতি পথাৰত আৰম্ভ হৈছে৷ এই অনুষ্ঠানকলৈ দেৰগাঁৰৰ নৰেন শৰ্মা স্মৃতি পথাৰত ব্যাপক উৎসাহ-উদ্দীপনা দেখা গৈছে৷ প্ৰশিক্ষণ প্ৰতিষ্ঠান নৃত্যাঞ্জলি কলাকেন্দ্ৰৰ উদ্যোগত অনুষ্ঠিত বৰ্ণিল অনুষ্ঠানৰ আজি পতাকা উত্তোলনেৰে কাৰ্যসূচী শুভাৰম্ভ কৰা হয়। কেইবাগৰাকী প্ৰয়াত স্বনামধন্য শিল্পী ভাৰত ৰত্ন ড০ ভূপেন হাজৰিকা, বিহু সম্ৰাট খগেন মহন্ত, চিত্ৰশিল্পী নীলপৱন বৰুৱা, কৃষ্ণ কুমাৰ কুন্নথৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। সৰ্বভাৰতীয় মহোৎসৱৰ মঞ্চ উন্মোচন কৰে সদৌ অসম ছাত্ৰ সন্থাৰ উপ-সভাপতি অভিৱৰ্তন গোস্বামীয়ে। ভাৰতবৰ্ষৰ কেইবাখনো ৰাইজৰ প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিবলগীয়া এই মহোৎসৱত সৰ্বভাৰতীয় পৰ্যায়ত কেইবাটাও নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ইতিমধ্যে সত্ৰীয়া নৃত্যৰ প্ৰতিযোগিতাসমূহ আৰম্ভ হৈছে। আনফালে দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত একাংকিকা নাটকৰ প্ৰতিযোগিতাসমূহ অনুষ্ঠিত হ'ব। আজি শুভাৰম্ভণি অনুষ্ঠানত নৃত্যাঞ্জলি কলা কেন্দ্ৰৰ দেৰগাঁও, বোকাখাট , কছাৰীহাট, ৰঙাজান আৰু চিনাতলী শাখাৰ ছাত্ৰ-ছাত্ৰীসকলে আকৰ্ষণীয় দলীয় নৃত্য প্ৰদৰ্শন কৰে। ৬ জানুৱাৰীৰ সন্ধিয়া অসমৰ বিশিষ্ট কণ্ঠশিল্পী কুসুম কৈলাশ, ৭ জানুৱাৰীত আচুৰ্য বৰপাত্ৰ আৰু নীল আকাশ আৰু অন্তিম দিনটো জুবিন গাৰ্গে সংগীতানুষ্ঠান পৰিবেশন কৰিব বুলি নৃত্যাঞ্জলি কলাকেন্দ্ৰৰ সঞ্চালক শান্তমণি শৰ্মাই জানিবলৈ দিছে।

# কেন্দ্ৰীয় চৰকাৰৰ চাকৰি এৰি আলফা স্বাধীনত যোগদান গৌতম গগৈৰ

## চিন্তিত পৰিয়াল, উদ্বিগ্ন সচেতন মহল

**ই-সংবাদ, গুৱাহাটী, ৪ জানুৱাৰীঃ** আলফাৰ আলোচনাপন্থী গোটে কেন্দ্ৰীয় চৰকাৰৰ সৈতে বিশেষ আৰ্থিক পেকেজ লৈ বুজাবুজি চুক্তি স্বাক্ষৰ কৰাৰ পাছতে সক্ৰিয় হৈছে পৰেশ বৰুৱা নেতৃত্বাধীন আলফা স্বাধীন। স্বাধীন অসমৰ দাবীত ৪৪ বছৰীয়া সংগ্ৰাম কৰা একাংশ শীৰ্ষ নেতাই বিশেষ পেকেজ লৈ চুক্তি স্বাক্ষৰ কৰিলেও আলফা স্বাধীনে অসমৰ পৰা নতুন নতুন লোকক সংগঠনলৈ নি থাকিবলৈ সক্ষম হৈছে। পৰেশ বৰুৱাই আলফা স্বাধীনক শক্তিশালী কৰিবলৈ প্ৰয়াস কৰি থকা পৰিলক্ষিত হৈছে। কিছুদিন পূৰ্বে উজনি অসমৰ এজন সাংবাদিক আলফা স্বাধীনত যোগদান কৰিছিল। এইবাৰ কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰী আলফা স্বাধীনত যোগদান কৰাৰ সন্দেহ কৰা হৈছে। শিৱসাগৰ জিলাৰ আমগুৰিৰ বাসিন্দা তথা গুৱাহাটীস্থিত ইণ্ডিয়ান ইনষ্টিটিউট অৱ টেকনলজিৰ কৰ্মচাৰী আলফা স্বাধীনত যোগদান কৰা বুলি জানিব পৰা গৈছে। ইণ্ডিয়ান ইনষ্টিটিউট অৱ টেকনলজিৰ কৰ্মচাৰী গৌতম গগৈয়ে আলফা স্বাধীনত যোগদান কৰে। আইআইটি গুৱাহাটীত টেকনিচিয়ান হিচাপে কৰ্মৰত আছিল। কিছুদিন ধৰি গৌতম গগৈয়ে কৰ্মস্থলীৰ পৰা অন্তৰ্ধান হৈ আছিল যদিও শেহতীয়া খবৰ মতে, গগৈয়ে ম্যানমাৰস্থিত শিবিৰত উপস্থিত হৈ আলফা স্বাধীনত যোগদান কৰিছে। গৌতম গগৈয়ে নিষিদ্ধ সংযুক্ত মুক্তি বাহিনী স্বাধীনত যোগদান কৰাৰ খবৰ প্ৰকাশৰ পাছতে ঘৰখনত অবৰ্ণনীয় পৰিবেশৰ সূচনা হৈছে। আলফাৰ আলোচনাপন্থী গোটে কেন্দ্ৰীয় চৰকাৰৰ সৈতে ত্ৰিপাক্ষিক শান্তি চুক্তি স্বাক্ষৰ কৰাত বিদ্ৰোহৰ এই ক'লা ডাৱৰ অসমত সমাপ্ত হ'ব বুলি আশা কৰা হৈছিল। কিন্তু পুনৰ আলফা স্বাধীনত যোগদান কৰিবলৈ আৰম্ভ কৰাত সচেতন মহল উদ্বিগ্ন হৈ পৰিছে।



মুখ্যমন্ত্ৰী হিচাপে শপত লোৱাৰ পাছতে নতুন দিল্লীত প্ৰথমবাৰ প্ৰধানমন্ত্ৰীক সাক্ষাৎ মিজোৰামৰ মুখ্যমন্ত্ৰী লালদুহোমাৰ

## নাওবৈচাত স্বামীয়ে মৰিয়াই মৰিয়াই হত্যা কৰিলে পত্নীক

**ই-সংবাদ, নাওবৈচা, ৪ জানুৱাৰীঃ** লখিমপুৰৰ নাওবৈচাত লোমহৰ্ষক হত্যাকাণ্ড সংঘটিত হোৱাত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। নাওবৈচাৰ ২নং কোৱাদংগা গাঁৱত স্বামীৰ বৰ্বৰ অত্যাচাৰত পত্নীয়ে প্ৰাণ হেৰুওৱাৰ অভিযোগ উত্থাপন হৈছে। ২নং কোৱাদংগা গাঁৱৰ চিদানন্দ ৰয়ে বুধবাৰে নিশা পত্নী চুমি ভূঞাক মৰিয়াই মৰিয়াই হত্যা কৰে। জানিব পৰা মতে, চিদানন্দ ৰয়ে প্ৰায়ে পত্নীৰ সৈতে কাজিয়াত লিপ্ত হৈছিল। বুধবাৰে নিশাও কাজিয়াৰ সূত্ৰপাত হোৱাত ৰয়ে পত্নীক বৰ্বৰভাৱে প্ৰহাৰ কৰিবলৈ আৰম্ভ কৰে। ফলত পত্নী চুমি ভূঞাৰ মৃত্যু হয়। হত্যাকাণ্ড সংঘটিত কৰি স্বামী চিদানন্দ ৰয়ে পলায়ন কৰে। আৰক্ষীয়ে মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষা কৰাৰ লগতে তদন্ত আৰম্ভ কৰিছে।

## এটা 'মোদী ছেল্ফি বুথ'ত খৰছ ৬ লাখ ২৫ হাজাৰ টকা

# ছেল্ফি বুথৰ আৰটিআই তথ্য দিয়া বাবেই ৰে'লৱে বিষয়াক শাস্তি

**নতুন দিল্লী, ৪ জানুৱাৰীঃ** দেশৰ ৰে'ল ষ্টেচনসমূহত নৰেন্দ্ৰ মোদীৰ ফটো সংলগ্ন ছেলফি পইণ্ট স্থাপনক লৈ বিতৰ্ক অব্যাহত আছে৷ কংগ্ৰেছকে ধৰি দেশৰ বিৰোধী দলে চৰকাৰী ধনৰ খৰছক লৈ প্ৰশ্ন উত্থাপন কৰি আহিছে৷ ৰাজকোষৰ কোটি কোটি টকা ধন অপচয় কৰাৰ খবৰৰ মাজতে আৰটিআইৰ উত্তৰ দিয়া বিষয়াক বদলি কৰা হৈছে৷ কেৱল বিষয়াক বদলি কৰাই নহয় ৰে'লৱেৰ তথ্য প্ৰদান কৰা ব্যৱস্থা পৰিৱৰ্তন কৰা হৈছে৷ তথ্য জনা আইনৰ অধীনত প্ৰশ্নৰ উত্তৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক লৈ থকা ছেল্ফি বুথৰ ব্যয় প্ৰকাশ কৰা কেন্দ্ৰীয় ৰে'লৱেৰ মুখ্য জনসম্পৰ্ক বিষয়াক যোৱা সপ্তাহত অপসাৰণ কৰা হৈছে। শিৱৰাজ মানস্পুৰে নামৰ বিষয়াজনক ২৯ ডিচেম্বৰত বদলি কৰা হৈছে। প্ৰধানমন্ত্ৰীৰ ফটো সংলগ্ন ছেল্ফি পইণ্টৰ খৰছৰ তথ্য দিয়াৰ পাছতে ভাৰতীয় ৰে'লৱেই তথ্যৰ অধিকাৰ আইনৰ অধীনত তথ্য প্ৰদানৰ ক্ষেত্ৰত আঞ্চলিক ৰে'লৱেৰ নিয়মক কঠোৰ কৰা হৈছে। নতুন নিয়ম অনুসৰি সকলো আৰটিআইৰ উত্তৰ এতিয়া ৰে'লৱেৰ জোনেল জেনেৰেল মেনেজাৰ বা বিভাগীয় ৰেল মেনেজাৰে অনুমোদন জনাব। অনুমোদন জনোৱাৰ পাছতে উত্তৰ দিয়া হ'ব। ২৭ ডিচেম্বৰত ৰ'লৱেৰ এগৰাকী বিষয়াই আৰটিআইৰ আবেদনৰ ভিত্তিত দিয়া তথ্য মতে, ৰে'ল ষ্টেচনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ফটোৰ সৈতে এটা




স্থায়ী ছেল্ফি বুথৰ ব্যয় ৬ লাখ ২৫ হাজাৰ টকা, আনহাতে অস্থায়ী বুথৰ বাবে ১ লাখ ২৫ হাজাৰ টকা খৰছ কৰা হৈছে। আৰটিআইৰ তথ্য মতে, এই ব্যয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ অধীনত কেন্দ্ৰীয় যোগাযোগ ব্যুৰোৱে কৰি আহিছে। আৰটিআইৰ আবেদনখনৰ তথ্য দিয়াৰ পাছতে তথ্য দিয়া বিষয়াজনক শাস্তিমূলক অপসাৰণ কৰা হৈছে বুলি অভিযোগ উত্থাপন হৈছে৷ সমানে আৰটিআইৰ তথ্য দিয়াৰ ক্ষেত্ৰত ৰে'লৱেয়ে নতুন কঠোৰ নিয়ম জাৰি কৰিছে৷ ২০২৩ চনৰ ২৮ ডিচেম্বৰত ৰে'লৱে বৰ্ডে আঞ্চলিক ৰে'লৱেৰ সকলো প্ৰৱন্ধকলৈ পৰামৰ্শ প্ৰেৰণ কৰিছে। কোৱা হৈছে যে আঞ্চলিক ৰে'লৱে আৰু অন্যান্য ক্ষেত্ৰ গোটৰ দ্বাৰা পৰিচালিত আৰটিআই আবেদনৰ সঁহাৰিৰ মানদণ্ড অৱনতি হৈছে। বহু ক্ষেত্ৰত, আৰটিআইৰ প্ৰতি সঁহাৰি দিয়াৰ সময়সীমা সমাপ্ত হয়৷ যাৰ ফলত প্ৰথম আপীল কৰ্তৃপক্ষ আৰু কেন্দ্ৰীয় তথ্য আয়োগৰ সন্মুখত বৃহৎ সংখ্যক আপীল দাখিল হৈছে। ই কেৱল অতিৰিক্ত কামবৃদ্ধি কৰাই নহয়, প্ৰতিষ্ঠানৰ বাবে ওলোটা বদনামও কঢ়িয়াই আনিছে। এই সমস্যা সমাধানৰ বাবে আইনত উল্লেখ কৰাৰ দৰে সঁহাৰি দিয়াৰ সময়সীমা সম্পূৰ্ণৰূপে অনুসৰণ কৰিব লাগিব। আৰটিআইৰ উত্তৰৰ মানদণ্ড বজাই ৰখাৰ বাবে সকলো আৰটিআইৰ উত্তৰ আঞ্চলিক ৰে'লৱেৰ জেনেৰেল মেনেজাৰ (জিএম) বা বিভাগীয় ৰে'ল মেনেজাৰ (ডিআৰএম)ৰ দ্বাৰা অনুমোদিত হ'ব। একে সময়তে, আৰটিআই আইনৰ অধীনত প্ৰথম আপীলৰ উত্তৰত দিয়া উত্তৰবোৰ সংশ্লিষ্ট জোনেল ৰে'লৱেৰ জেনেৰেল মেনেজাৰ বা বিভাগীয় ৰে'ল মেনেজাৰৰ দ্বাৰাও অনুমোদিত হ'ব। ৰে'লৱেই তথ্য জনাৰ অধিকাৰ আইন-২০০৫ৰ অধীনত সোধা প্ৰশ্নবোৰৰ উত্তৰ দিবলৈ তথ্য বিষয়া আৰু মুখ্য তথ্য বিষয়া নিয়োগ কৰিছিল। এই আইনৰ অধীনত জিএম বা ডিআৰএমৰ কোনো ভূমিকা নাছিল। আৰটিআই আবেদনৰ উত্তৰ কেন্দ্ৰীয় ৰেলৱেৰ উপ-মহাপ্ৰৱন্ধকে দি আহিছে৷ ৰে'লৱেৰ এজন প্ৰাক্তন কৰ্মচাৰী অজয় বসুৰ এক আৰটিআইৰ প্ৰশ্নৰ উত্তৰত এই কথা উল্লেখ কৰা হৈছিল৷ ইপিনে কেন্দ্ৰীয় ৰে'লৱেৰ তথ্য বিষয়া শিৱাজী মানস্পুৰেকক ৭ মাহ পাছতে অপসাৰণ কৰা হৈছিল। সাধাৰণতে এজন ব্যক্তিক দুবছৰৰ বাবে এই পদত নিযুক্তি দিয়া হয়। শিৱাজী মানস্পুৰেৰ অপসাৰণ সম্পৰ্কে অভিযোগ মতে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ছেল্ফি পইণ্টৰ তথ্য দিয়াৰ পাছতে তেওঁক অপসাৰণ কৰা হৈছে৷ এই বিষয়ত খোদ কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে ছ'চিয়েল মিডিয়াত লিখিছে 'শ্বাহেনশ্বাহ ৰজা নেকি? সঁচা কোৱাৰ পুৰস্কাৰ শাস্তি!' ৰে'লৱেৰ জ্যেষ্ঠ বিষয়াসকলে তথ্য বিষয়া শিৱাজী মানস্পুৰেৰ বদলিৰ সৈতে সম্পৰ্কিত বাতৰিটো মিছা বুলি দাবী কৰিছে৷ বাতৰিটোক অস্বীকাৰ কৰি কাৰ্যকৰী কাৰণত বদলি কৰা হৈছে বুলি যুক্তি দিয়ে ৰে'লৱেৰ জ্যেষ্ঠ বিষয়াসকলে৷

## ঘৰৰ নিৰাপত্তা হ্ৰাস, খুলি দিলে ভিআইপি পথ

# অৰৱিন্দ কেজৰিৱালক গ্ৰেপ্তাৰৰ যো-জা মোদী চৰকাৰৰ

**নতুন দিল্লী, ৪ জানুৱাৰীঃ** বৃহস্পতিবাৰে দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালক গ্ৰেপ্তাৰ কৰিব বুলি দাবী কৰাৰ লগতে আৱাসত সুৰক্ষা হ্ৰাস কৰা বুলিও অভিযোগ উত্থাপন কৰিছিল আপ নেতাই৷ কিন্তু আপ নেতাৰ এই দাবীক একপ্ৰকাৰ নস্যাৎ কৰিছে চৰকাৰী সংস্থাই৷ প্ৰৱৰ্তন সঞ্চালকালয় চমুকৈ ইডিক মুখ্যমন্ত্ৰী কেজৰিৱালে উত্তৰ দিয়া বুলি খবৰ প্ৰকাশ পাইছে৷ ইডিয়ে মুখ্যমন্ত্ৰীৰ প্ৰশ্নৰ উত্তৰ পৰীক্ষা কৰি সোনকালেই সোধা-পোছাৰ বাবে চতুৰ্থ জাননী প্ৰেৰণ কৰিবলৈ সাজু হৈছে৷ আজি কোনো প্ৰশ্ন বা গ্ৰেপ্তাৰ কৰা নহয় বুলি কয়। দিল্লী আবকাৰী কেলেংকাৰী তথা অবৈধ ধন সৰবৰাহৰ গোচৰত প্ৰৱৰ্তন সঞ্চালকালয়ে তৃতীয়বাৰৰ বাবে প্ৰদান কৰা চমনখন দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে উপেক্ষা কৰিছিল৷ তাৰ পাছতে দলৰ নেতাসকলে দাবী কৰি কয় যে ইডিৰ দলে মুখ্যমন্ত্ৰী কেজৰিৱালক ঘৰৰ পৰা গ্ৰেপ্তাৰ কৰিব পাৰে। আপৰ মুখপাত্ৰ জেচমিন শ্বাহে কয় যে অৰবিন্দ কেজৰিৱালৰ গ্ৰেপ্তাৰৰ খবৰ যোৱা নিশা বিশ্বাসযোগ্য সূত্ৰৰ পৰা পোৱা গৈছিল। অৰবিন্দ কেজৰিৱালক গ্ৰেপ্তাৰ কৰাৰ বাবে চমন বিজেপি কাৰ্যালয়ৰ পৰা আহিব। ইডিয়ে কেৱল বিৰোধী নেতাসকলৰ ওপৰতহে ব্যৱস্থা গ্ৰহণ কৰে। মুখ্যমন্ত্ৰী কেজৰিৱালৰ ঘৰৰ নিৰাপত্তা হ্ৰাস কৰা হৈছিল বুলি দাবী কৰে জেচমিন শ্বাহে৷ আপে দাবী কৰা মতে, দিল্লীৰ মুখ্যমন্ত্ৰীৰ ঘৰলৈ যোৱা দুয়োটা পথ আৰক্ষীয়ে বন্ধ কৰি দিছিল। মুখ্যমন্ত্ৰীৰ বাসগৃহৰ কৰ্মচাৰীসকলকো বাধা দিয়া হৈছিল। তাৰ মাজতে অৰবিন্দ কেজৰিৱালৰ ঘৰৰ নিৰাপত্তা হ্ৰাস হোৱাৰ খবৰ আহে। মুখ্যমন্ত্ৰী কেজৰিৱালৰ ঘৰলৈ যোৱা দুয়োটা পথ মুকলি কৰা হৈছিল। ইফালে, মুখ্যমন্ত্ৰী কেজৰিৱালৰ বাসগৃহৰ বাহিৰত সংবাদ মাধ্যমৰ ভিৰ কৰিবলৈ অনুমতি দিয়া হৈছিল আৰু সংবাদ মাধ্যমৰ বাবে এটা পৃথক স্থান সাজু কৰা হয়৷ সাধাৰণতে তেনে কৰা নহয়। ইপিনে দিল্লী আৰক্ষীয়ে কেজৰিৱালৰ ঘৰত অভিযান চলাব পাৰে বুলি আশংকা ব্যক্ত কৰে আপে৷ উল্লেখ্য যে, ইডিয়ে বুধবাৰে আপৰ ৰাষ্ট্ৰীয় আহ্বায়ক অৰবিন্দ কেজৰিৱাললৈ তৃতীয় জাননী প্ৰেৰণ কৰিছিল। ইয়াৰ পূৰ্বে ২ নৱেম্বৰ আৰু ২১ ডিচেম্বৰত দিল্লীৰ মুখ্যমন্ত্ৰীক সোধা-পোছাৰ বাবে মতা হৈছিল। ইডিৰ সন্মুখত উপস্থিত হ'বলৈ অস্বীকাৰ কৰিছিল কেজৰিৱালে। বুধবাৰে আপৰ কেইবাজনো নেতাই কয় যে তদন্তকাৰী সংস্থাটোৱে অৰবিন্দ কেজৰিৱালৰ ঘৰত অভিযান চলাব৷ পিছত গ্ৰেপ্তাৰ কৰা হ'ব পাৰে। প্ৰৱৰ্তন সঞ্চালকালয়ে অৰবিন্দ কেজৰিৱালক গ্ৰেপ্তাৰ কৰিব পাৰে বুলি আপ নেত্ৰী তথা মন্ত্ৰী আতিশীয়েও দাবী কৰিছিল। দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে বুধবাৰে তদন্ত সংস্থা ইডিক উত্তৰ দি ৰাজ্যসভা নিৰ্বাচন আৰু গণৰাজ্য দিৱসৰ প্ৰস্তুতিত ব্যস্ত বুলি কয়৷



বৰফেৰে ঢাক খাই থকা স্থানত পৰ্যটন! চীনৰ হাৰবিনস্থিত আইচ চিটীত দেশ-বিদেশৰ পৰ্যটকৰ ভিৰ

# অমিতাভৰ হটছিটত ঢেকিয়াজুলিৰ পূজা পাৰিক, ২৫ লাখ জিকিবলৈ সক্ষম

**ই-সংবাদ, ঢেকিয়াজুলি, ৪ জানুৱাৰীঃ** আছাম ডনবস্ক’ ইউনিভাৰ্ছিটিৰ গৱেষক ছাত্ৰী পূজা পাৰিকক লৈ গৌৰৱান্বিত হৈছে শোণিতপুৰ জিলাৰ চিৰাজুলিবাসী৷ বলিউদৰ ছাহেনশ্বাহ বিগ-বি অমিতাভ বচ্চনৰ ছনী টিভিৰ বহু চৰ্চিত অনুষ্ঠান ‘কৌন বনেগা কৌড়পতি’ৰ হট ছিটত বহি ২৫ লক্ষ টকা জিকিবলৈ সক্ষম হৈছে চিৰাজুলিৰ পূজাই৷ শোণিতপুৰ জিলাৰ চিৰাজুলিৰ বেদ প্ৰকাশ শৰ্মা আৰু ইন্দিৰা শৰ্মাৰ কন্যা পূজাই পাৰিকে বিগত ২৬ ডিচেম্বৰৰ খণ্ডত অংশ গ্ৰহণ কৰিবলৈ সুবিধা লাভ কৰিছিল৷ কুইজ আৰু অধ্যয়নত ব্ৰতী পূজাই অমিতাভ বচ্চনক ওচৰত পাই আনন্দিত হোৱাৰ লগতে সেয়া এক বিৰল মুহূৰ্ত আছিল বুলি উল্লেখ কৰিছে৷ দীৰ্ঘদিন ধৰি এই অনুষ্ঠানত অংশগ্ৰহণ কৰিবলৈ প্ৰয়াস কৰি আছিল বুলিও কয় পূজাই৷ ছনী টিভিত সম্প্ৰচাৰিত অমিতাভ বচ্চনৰ ৰিয়েলিটী শ্ব’ৰ ২৬ ডিচেম্বৰৰ খণ্ডত প্ৰতিযোগী হিচাপে অংশ ল’বলৈ সুবিধা পোৱা আৰু ২৫ লাখ টকা জিকিবলৈ সক্ষম হোৱাত জন্মস্থান চিৰাজুলিৰ ৰাইজ আনন্দিত৷ পূজাই চিৰাজুলিত উপস্থিত হোৱাত দল-সংগঠনে ফুলাম গামোচা পিন্ধাই অভিনন্দন জ্ঞাপন কৰে৷ জানিব পৰা মতে, পূজাৰ পিতৃ বেদ প্ৰকাশ শৰ্মা চিৰাজুলি অঞ্চলৰ বিশিষ্ট ব্যৱসায়ী৷ কন্যাক উচ্চ শিক্ষাৰে শিক্ষিত কৰি শিক্ষাকতাৰ দৰে মহান কামত ব্ৰতী হ’বলৈ আগ্ৰহী কৰিছিল৷ আছাম ডনবস্ক’ ইউনিভাৰ্ছিটিত শিক্ষা বিষয়ত গৱেষণা কৰি থকা পূজাই শিক্ষকতাও কৰি আছে৷ গুৱাহাটীৰ জালুকবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক হিচাপে কৰ্মৰত পূজাই নিজৰ অনুভৱ ব্যক্ত কৰি কয় যে দেশৰ এগৰাকী প্ৰখ্যাত অভিনেতাৰ সান্নিধ্য লভি ধন্য হোৱাৰ লগতে এয়া তেওঁৰ জীৱনৰ এক উল্লেখনীয় প্ৰাপ্তি। সপোনবোৰ ডাঙৰকৈ দেখিব লাগে আৰু সপোন বাস্তৱায়িত কৰিবলৈ জীৱনত কষ্ট কৰিব লাগে৷ একাগ্ৰতা আৰু শ্ৰম কৰিলে সপোন পূৰ্ণ নহ'লেও ওচৰে-পাঁজৰে গৈ পোৱাতো নিশ্চিত।




# ড্ৰাগছ সৰবৰাহ, কাছাৰত গ্ৰেপ্তাৰ মেঘালয়ৰ যুৱক

**ই-সংবাদ, শিলচৰ, ৪ জানুৱাৰীঃ** ড্ৰাগছ সৰবৰাহকাৰীক সহায় কৰি আহিছে নেকি মেঘালয় আৰক্ষীয়ে? আজি অসম আৰক্ষীয়ে মেঘালয় আৰক্ষীৰ এজন কনিষ্টবলসহ দুজন ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰৰ পাছতে এই অভিযোগ উত্থাপন হৈছে৷ বৰাক উপত্যকাৰ কাছাৰ জিলাৰ গুমৰা পিআইচিয়ে গুমৰা বজাৰত চলোৱা অভিযানত দুই ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। ভাৰপ্ৰাপ্ত বিষয়া পঞ্চপল্লৱ বৰাৰ নেতৃত্বত পুৱা ১১.৩০ বজাত চলা অভিযানত এখন বাহনসহ বিনয় নুংপলুহ (৩০) আৰু কৰণ গুৰুংক (৩০) গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়৷ বিনয় নুংপলুহ (৩০) আৰু কৰণ গুৰুং মেঘালয়ৰ শ্বিলঙৰ উমিয়ুঙৰ বাসিন্দা। কৰণে নিজকে মেঘালয় আৰক্ষীৰ কনিষ্টবল হিচাপে চিনাকি দিয়া বুলি জানিব পৰা গৈছে৷ দুয়োজনৰ পৰা আৰক্ষীয়ে ৩৮টা নিচাজাতীয় সামগ্ৰী ভৰ্তি কণ্টেইনাৰ, নগদ ৩২,২৫০ টকা আৰু চাৰিটা মোবাইল হেণ্ডছেট জব্দ হৈছে৷ এমএল-১০-চি-৭৫৮৩ নম্বৰৰ এখন অল্ট গাড়ীও জব্দ কৰা হৈছে। উল্লেখ্য যে বিগত কিছুদিন ধৰি বৰাকৰ ভিন্নস্থানত দুষ্ট চক্ৰই সক্ৰিয় হৈ পৰিছে।

# দুৰ্ঘটনা, পথ সুৰক্ষা আৰু টোল গেট



## কিছু চিন্তা

■ ডাঃ নৱনীল বৰুৱা

> “কিন্তু অসমত প্ৰকৃততে হৈছে কি? পথ নিৰ্মাণ হৈছে ৰাইজৰ টকাৰে। ইয়াত লেচিজনৰ সামান্য অৰিহণাও নাই! অথচ তেওঁ বছৰ বছৰ ধৰি সোঁৰে-বাঁওৰে টকা ঘটি আছে।”

**মই বহু বছৰ** ধৰি পথ সুৰক্ষাৰ বাবে কাম কৰিছিলো। স্কুল-কলেজ, ক্লাব, নামঘৰ একো ঠাইয়েই বাকী নাই য'ত সজাগতা সভা কৰা নাই। কাম কি হ'ল সেয়া ক'ব নোৱাৰিম। কালিৰ দুৰ্ঘটনাৰ অন্য এটা দিশ হে মই আঙুলিয়াই দিব খুজিছো। এই দিশ কিন্তু দুৰ্ঘটনাৰ লগত ওতঃপ্ৰোতভাৱে জড়িত।

অসমত চলি থকা চৰকাৰী কেলেংকাৰীসমূহৰ ভিতৰত অন্যতম হৈছে ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণৰ অনিয়ম। টোল সংগ্ৰহৰ মূল উদ্দেশ্য আছিল যে চৰকাৰে কোনো ব্যক্তিগত প্ৰতিস্থানক পথ নিৰ্মাণ কৰিবলৈ দিব আৰু নিৰ্মাণ, মেৰামতি আদিত যি খৰছ হয় সেই টকাটোৰ লগতে কিছু লাভ সেই প্ৰতিস্থানটোৱে এক নিৰ্দিষ্ট সময়ৰ বাবে (যেনে ২০ বছৰ) টোল সংগ্ৰহ কৰি পূৰণ কৰিব। লগতে কিছু চৰ্ত থাকে যে সকলো সময়তে পথ অতি সুচল আৰু সম্পূৰ্ণ হৈ থাকিব লাগিব।

যিসকলে টোল দিবলৈ সমৰ্থ নহয় বা দিবলৈ ইচ্ছা নকৰে, তেওঁলোকৰ বাবে এটা বিকল্প পথ থকাটোও প্ৰয়োজনীয়। টোলযুক্ত পথত দুৰ্ঘটনা হ'লে উদ্ধাৰ, চিকিৎসা সাহায্য আদিৰ বাবেও লেচিজনে এম্বুলেঞ্চ, ক্ৰেণ আদি ব্যৱস্থা কৰাৰো দায়িত্ব থাকে। লগতে টোলপথত যাত্ৰীসকলৰ বাবে আধুনিক, চাফ-চিকুণ শৌচাগাৰ আদিৰো ব্যৱস্থা কৰাটো লেচিৰ দায়িত্বত পৰে।

কিন্তু অসমত প্ৰকৃততে হৈছে কি? পথ নিৰ্মাণ হৈছে ৰাইজৰ টকাৰে। ইয়াত লেচিজনৰ সামান্য অৰিহণাও নাই! অথচ তেওঁ বছৰ বছৰ ধৰি সোঁৰে-বাওঁৰে টকা ঘটি আছে। অসম্পূৰ্ণ বা মেৰামতিবিহীন পথতো হেলাৰঙে টোল সংগ্ৰহ কৰি থকা হৈছে। বাকি যিখিনি সা-সুবিধা বাধ্যতামূলকভাৱে থাকিব লাগে তাৰো শুংসূত্ৰ পাবলৈ নাই।

ঘাইপথত কোনো কাৰণতে কোনো বাহন পাৰ্কিং কৰি থব নোৱাৰে। তাৰ বাবে লে বাই বা পাৰ্কিং বে থাকিব লাগে। কিন্তু প্ৰকৃততে সেয়া আছেনে? ট্ৰাকসমূহ মূল পথৰ আধা দখল কৰি পাৰ্কিং কৰি থয়। কোনো চাওতা নাই। ঘাইপথ আৰক্ষী বুলি এটা বেলেগ শাখা নাই, যি পেট্ৰোলিং কৰি ফুৰিব পাৰে। ট্ৰাক পাৰ্কিং কৰি থয় যদিও কোনো লাইট আদি জ্বলাই নথয়। ফলত ঘাইপথৰ দ্ৰুতগতিত চলি থকা বাহন এখনৰ সন্মুখত হঠাৎ এখন স্থবিৰ ট্ৰাক আহি পৰে যিখন দূৰৰ পৰা দেখা পোৱাৰ সুবিধা নেথাকে। কুঁৱলী হলেতো কথাই নাই। প্ৰায়বোৰ দুৰ্ঘটনা এনে কাৰণতে হয়!

আটাইতকৈ ডাঙৰ কেলেংকাৰীটো হ'ল যে টোল প্ৰথাৰ লেনদেন সম্পূৰ্ণ ৰূপে ডিজিটেলি হয়, যাৰ বাবে আচলতে কিমান টকা উঠিছে, সেইটো লুকুৱাই ৰখা অসম্ভৱ। তেনেস্থলত ৰাইজে টোলগেটত কিমান টকা দিছে, লেচিয়ে তাৰ কিমান চৰকাৰ/প্ৰাধিকৰণক দিছে, সেইটো অতি সহজে ৰাজহুৱা কৰিব পাৰে। কিন্তু নকৰে। আৰটিআই মাৰিলেও তাৰ উত্তৰ নাহে।

অসমত ইমানবোৰ সাংবাদিক আছে, কোনেও কিন্তু এই বিষয়ত অনুসন্ধান নকৰে! কিয়? এই টোলগেটৰ টকা যি শক্তিয়ে কেৰোণেৰে চপাইছে, তেনে শক্তিৰ প্ৰচাৰ মাধ্যমৰ ওপৰতো কিবা প্ৰভাৱ আছে নেকি?

■ সম্পাদকীয় ■

বৃহস্পতিবাৰ,
৪ জানুৱাৰী, ২০২৪।।
নিশা ১০ বজা

# ঐক্যবদ্ধ প্ৰতিবাদলৈ ভয়

ঐক্যবদ্ধ প্ৰতিবাদলৈ ভয় কৰে মোদী চৰকাৰে। ৰাজধানী কঁপোৱা কৃষকৰ ঐক্যবদ্ধ প্ৰতিবাদৰ পিছতে চৰকাৰে বাতিল কৰিছিল কৃষকক ডিঙি চেপা দিয়া তিনি ক'লা আইন। এইবাৰ ৰাজপথত কৃষক নহয়, এইবাৰ ৰাজপথত আন্দোলন চালকৰ। ইতিমধ্যেই ট্ৰাক, টেংকাৰ, টেক্সি চালকৰ গণ আন্দোলনে কঁপাইছে সমগ্ৰ দেশ। আজি আন্দোলনৰ চতুৰ্থ দিন। কিন্তু কৃষকৰ প্ৰতিবাদত সেও মানি তিনি ক'লা আইন প্ৰত্যাহাৰ কৰা মোদী চৰকাৰ এইবাৰো হ'বনে দেশৰ চালিকাশক্তি চালকৰ ওচৰত নতশিৰ? দেশৰ কোটি কোটি জনতাৰ মনত উত্থাপন হোৱা এই প্ৰশ্নৰ উত্তৰ অতি শীঘ্ৰেই লাভ হ'ব বুলি আশাবাদী সকলো। ভাৰতীয় ন্যায় সংহিতাত মোদী চৰকাৰে কৰা সংশোধনেই সূচনা কৰিছে এই বিক্ষোভৰ। এই আইন সংশোধনৰ জৰিয়তে হিট এণ্ড ৰান গোচৰত চালকৰ শাস্তি ১০ বছৰলৈ বৃদ্ধি কৰাৰ লগতে ৭ লাখ টকা জৰিমনাৰ বিধান প্ৰৱৰ্তন কৰা হৈছে। কিন্তু চৰকাৰৰ এই নতুন আইন মানি ল'ব পৰা নাই দেশৰ লাখ লাখ চালকে। যাৰ বাবে এতিয়া এই আইন বাতিলৰ দাবীত ৰাজপথত নামিছে প্ৰায় প্ৰতিখন ৰাজ্যৰে ট্ৰাক, বাছ, টেক্সি, টেংকাৰ আদি চালকসকল। কেন্দ্ৰীয় চৰকাৰৰ মতে, দেশৰ ৰাজপথত সংঘটিত দুৰ্ঘটনা প্ৰতিৰোধৰ বাবেই প্ৰৱৰ্তন কৰা হৈছে এই আইন। কিন্তু চৰকাৰৰ এই যুক্তিত সৈমান নহয় চালকসকল। চালকৰ মতে দুৰ্ঘটনা কোনোৱে কৰো বুলি নকৰে, দুৰ্ঘটনা হৈ যায়। এনে ক্ষেত্ৰত দুৰ্ঘটনাৰ বাবে চালকৰ শাস্তি ১০ বছৰ যথেষ্ট বেছি। তদুপৰি মাহত ২০-২৫ হাজাৰ টকা উপাৰ্জন কৰা এজন চালকে ৭ লাখ টকা জৰিমনা ভৰিবই বা ক'ৰ পৰা?

# শিক্ষক নিযুক্তিত চাহ জনগোষ্ঠী আৰু আদিবাসীক ৩ শতাংশ সংৰক্ষণ

**ই-সংবাদ, ৪ জানুৱাৰীঃ** ২০১৪ চনৰ লোকসভা নিৰ্বাচনৰ পূৰ্বৰে পৰা বিজেপি দলে অসমৰ ছয় জনগোষ্ঠীক জনজাতিকৰণৰ ললিপপ দি আহিছে৷ বিশেষকৈ চাহ জনগোষ্ঠীক জনজাতিকৰণৰ প্ৰতিশ্ৰুতি দি সেই প্ৰতিশ্ৰুতি পালন কৰা নাই বিজেপি দলে৷ লোকসভা নিৰ্বাচনৰ পূৰ্বে চাহ জনগোষ্ঠীৰ লোকসকল যাতে নাৰাজ নহয় তাৰ প্ৰতি অন্য পন্থা অৱলম্বন কৰিছে ৰাজ্য চৰকাৰে৷ লোকসভা নিৰ্বাচনৰ পূৰ্বে অসমৰ বিজেপি চৰকাৰে ৰাজ্যৰ কেইবা লক্ষ চাহ জনগোষ্ঠী আৰু আদিবাসী লোকক সুখী কৰাৰ প্ৰয়াস কৰি বিশেষ ঘোষণা কৰিছে৷ বিশেষকৈ দুই জনগোষ্ঠীৰ চাকৰিৰ সংৰক্ষণৰ দাবীক গুৰুত্ব প্ৰদান কৰিছে ৰাজ্য চৰকাৰে৷ ৰাজ্যিক চাকৰিত কমেও ১৫ শতাংশ সংৰক্ষণ দাবী কৰি থকা অহা জনগোষ্ঠী দুটাৰ বাবে শিক্ষা বিভাগৰ চাকৰিত সংৰক্ষণৰ ব্যৱস্থা কৰিছে৷ আজি শিক্ষামন্ত্ৰী ৰণোজ পেগুৱে 'এক্স'ত দিয়া এটা পোষ্টত এই কথা উল্লেখ কৰিছে৷ অসম চৰকাৰে শেহতীয়াকৈ দিবলগীয়া শিক্ষক নিযুক্তিত চাহ আৰু আদিবাসী জনগোষ্ঠীক ৩ শতাংশ সংৰক্ষণৰ ব্যৱস্থা কৰিব৷ শিক্ষামন্ত্ৰী ৰাণোজ পেগুৱে 'এক্স'ত দিয়া পোষ্টত কয় যে অসম চৰকাৰৰ এক অধিসূচনা অনুসৰি বৰ্তমানৰ শিক্ষক নিযুক্তিত অ'বিচি-এমঅ'বিচিৰ বাবে থকা ২৭ শতাংশ সংৰক্ষণৰ ভিতৰত চাহ জনজাতি আৰু আদিবাসী সম্প্ৰদায়ৰ বাবে ৩ শতাংশ আসন সংৰক্ষণ থাকিব। জানিব পৰা মতে, তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ পদৰ সকলো নিযুক্তিত এই সংৰক্ষণ ব্যৱস্থা কাৰ্যকৰী হ'ব৷ অসমৰ প্ৰাথমিক শিক্ষা সঞ্চালকালয়ৰ অধীনত শিক্ষক আৰু অশিক্ষক পদক সামৰি লোৱা হ'ব। চৰকাৰে দাবী কৰিছে যে ইয়াৰ দ্বাৰা সমাজৰ বিভিন্ন দিশত চাহ জনজাতি আৰু আদিবাসী জনগোষ্ঠীৰ প্ৰতিনিধিত্বক গুৰুত্ব দিয়া হৈছে৷ চাহ জনজাতি আৰু আদিবাসী জনগোষ্ঠীক বিশেষ উপহাৰ দি লোকসভা নিৰ্বাচনত ভোট আদায়ৰ প্ৰয়াস কৰি বিজেপি দল আৰু মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এই ঘোষণা কৰা বুলি চৰ্চা হৈছে৷ উল্লেখ্য যে কংগ্ৰেছ দলে বিগত কিছুদিন ধৰি অবিচিসকলৰ কথা কৈ অহা দেখা গৈছে।

# নিৰ্মল সাই প্ৰকাশনৰ ৯খন গ্ৰন্থ উন্মোচন




**ই-সংবাদ, ৪ জানুৱাৰীঃ** গুৱাহাটী মহানগৰীৰ অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানৰ খেলপথাৰত চলি থকা 'অসম গ্ৰন্থমেলা' ৩ জানুৱাৰীত উন্মোচিত হয় ৯ খন নতুন গ্ৰন্থ। নিৰ্মল সাই প্ৰকাশনে প্ৰকাশ কৰি উলিওৱা এই গ্ৰন্থকেইখন হৈছে ডᵒ মঞ্জু কলিতাৰ 'বকুল ফুলে চন্দ্ৰমাতে', বৰষা কলিতাৰ 'বনৰীয়া ফুলৰ সুবাস', প্ৰেৰণাশ্ৰী যতীন কুমাৰৰ 'যাত্ৰাৰ শেষত', জাহ্নৱী প্ৰিয়া কাশ্যপৰ 'Life Is Good Life Is Bad', শ্বহিদুল ইছলামৰ 'ইটো-সিটো বহুতো', হৃষীকেশ শইকীয়াৰ 'অনুভৱৰ ছাঁ', 'ক্ৰিয়াত্মক সংগীত পাঠ', হিমানী ডেকাৰ 'হৈমন্তীৰ কথাৰে' আৰু ডᵒ ৰীণা বেগম হাজৰিকাৰ 'ভূপেন দা আৰু এমুঠি কবিতা'। অসম গ্ৰন্থমেলাৰ ডᵒ বীৰেন্দ্ৰ নাথ দত্ত সোঁৱৰণী সভাগৃহত অনুষ্ঠিত গ্ৰন্থ উন্মোচনী সভাখনৰ সঞ্চালনা কৰে নিৰ্মল শৈক্ষিক ন্যাসৰ সাহিত্য উপদেষ্টা কৰুণা কান্ত শৰ্মাই। অনুষ্ঠান বিশিষ্ট অতিথি তথা উন্মোচক হিচাপে উপস্থিত থাকে লেখিকা তথা অভিনেত্ৰী ডᵒ আকাশীতৰা, নগাঁও বালিকা মহাবিদ্যালয়ৰ অধ্যাপিকা ডᵒ অমিয়া পাটৰ, লেখিকা তথা সমাজ সেৱিকা পুতলী কায়স্থ আৰু স্বপ্নালী মহন্ত। নিৰ্মল সাই প্ৰকাশনৰ সঞ্চালক তথা প্ৰকাশক উৎপল ভৰদ্বাজে উদ্দেশ্য ব্যাখ্যা আগবঢ়োৱা এই গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটোৰ আঁত ধৰে লেখিকা বন্তিৰীমা ফুকন শইকীয়াই। লগতে শলাগৰ শৰাই আগবঢ়াই নিৰ্মল শৈক্ষিক ন্যাসৰ উপদেষ্টা তথা গুৱাহাটী উচ্চ ন্যায়ালয়ৰ উপ-পঞ্জীয়ক পানচৈ শৰ্মাই। প্ৰায় শতাধিক লোক উপস্থিত থকা এই অনুষ্ঠানত সন্মানীয় অতিথি হিচাপে উপস্থিত থাকে সাংবাদিক কুমুদ তালুকদাৰ, সাংস্কৃতিক কৰ্মী ফটিক চন্দ্ৰ শীল, বৰেণ শৰ্মা, অৱসৰ প্ৰাপ্ত অধ্যাপক ডᵒ শচীন চহৰীয়া, গীতু ভাগৱতী পাটক, মন্দিয়া আঞ্চলিক কলেজৰ অধ্যক্ষ ডᵒ শেইখ ফাৰুক আহমেদ আৰু উদ্যমী মহিলা মিনাক্ষী বৰা।

শেষ পৃষ্ঠা

## ভাৰতৰ সহজ জয়

# দুদিনতে সমাপ্ত কেপ টাউন টেষ্ট

**কেপ টাউন, ৪ জানুৱাৰীঃ** দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে খেলা দ্বিতীয় কেপ টাউন টেষ্টত মাত্ৰ দুই দিনতে ভাৰতে জয়লাভ কৰিছে। কালি প্ৰথম ইনিংছত ভাৰতে গুৰুত্বপূৰ্ণ ৯৮ ৰাণৰ অগ্ৰগতি লোৱাৰ পিছত দ্বিতীয় ইনিংছ আৰম্ভ কৰি ঘৰুৱা দলটোৱে পুনৰ বিপদত পৰে। ভাৰতীয় পেচ আক্ৰমণৰ বিপক্ষে আফ্ৰিকান দলটোৱে এবাৰো মুৰ দাঙি ঠিয় দিবলৈ সক্ষম নহ'ল। কেৱলমাত্ৰ এইডেন মাৰক্ৰামে এটা মুৰত থাকি ১০৬ ৰাণৰ যুঁজাৰু ইনিংছ উপহাৰ দিয়ে। কিন্তু দক্ষিণ আফ্ৰিকাৰ পৰাজয় ৰোধৰ বাবে সেয়া পৰ্যাপ্ত নাছিল। দ্বিতীয় ইনিংছত ১৭৬ ৰাণত ঘৰুৱা দলটোৱে আটাইকেইটা উইকেট হেৰুৱাত ভাৰতক জয়ৰ বাবে মাত্ৰ ৭৯ ৰাণৰ প্ৰয়োজন হয়। আলহী দলটোৱে ১২ অভাৰত তিনিটা উইকেট হেৰুৱায় ৮০ ৰাণ কৰি বিজয়ী হয়। আজি দক্ষিণ আফ্ৰিকাৰ দলৰ পতনত ভাৰতীয় পেচাৰ জচপ্ৰীত বুমৰাহে মুখ্য ভূমিকা গ্ৰহণ কৰে। তেওঁ ৬১ ৰাণত ছয়টা উইকেট দখল কৰে। তেওঁক সুন্দৰ সহযোগ কৰে মুকেশ কুমাৰ (২/৫৬), প্ৰধিছ কৃষ্ণা (১/২৭) আৰু মহম্মদ ছিৰাজে (১/৩১)। উল্লেখ্য যে কালি দক্ষিণ আফ্ৰিকাৰ প্ৰথম ইনিংছৰ ৫৫ ৰাণৰ উত্তৰত ভাৰতে ১৫৩ ৰাণ সংগ্ৰহ কৰিছিল। আজিৰ জয়ৰ ফলত দুখন টেষ্টৰ শৃংখলাটো অমীমাংসিত হিচাপে সামপ্ত হয়। মহম্মদ ছিৰাজ মেছৰ শ্ৰেষ্ঠ বিবেচিত হোৱাৰ বিপৰীতে জচপ্ৰীত বুমৰাহ আৰু দিন এলগাৰ শৃংখলাৰ শ্ৰেষ্ঠ বিবেচিত হয়। উল্লেখ্য যে বলৰ হিচাপত এইখন হ'ল টেষ্ট ক্ৰিকেটৰ ইতিহাসৰ কম সময়ৰ মেছ। মেছখনত মাত্ৰ ৬৪২ বল কৰা হয়।



■ ৪ জানুৱাৰীত 'অসম গ্ৰন্থমেলা'ৰ সাংস্কৃতিক সন্ধিয়াত মূকাভিনয়

# ৪০ বছৰে বিমানৰ বাবে বিমান বন্দৰত অপেক্ষা যাত্ৰীৰ

**অনলাইন ফিচাৰ্ছ, ৪ জানুৱাৰীঃ** যোৱা ৪০ বছৰ ধৰি বিমানৰ বাবে অপেক্ষা কৰি বিমান বন্দৰতে শুই আছে এজন যাত্ৰীয়ে। আচৰিত যেন লাগিলেও সামাজিক মাধ্যমত এতিয়া খলকনি তুলিছে এজন যাত্ৰীয়ে বিমান বন্দৰত বেগত ভেজা দি টোপনিয়াই থকাৰ এখন ফটোৱে। ফ্ল'ৰিডাৰ অৰ্লেণ্ডু' ৰাষ্ট্ৰীয় বিমান বন্দৰৰ এই ফটোখনে আচম্বিত কৰি তুলিছে নেটিজেনসকলক। সকলোৰে একেমুখে প্ৰশ্ন কৰিছে- ৪০ বছৰ ধৰি শুই থকাটো এজন মানুহৰ বাবে সম্ভৱনে? দৰাচলতে হবহু প্ৰকৃত যেন লগা ফটোখনৰ ব্যক্তিজন হৈছে এটা হাইপাৰ ৰিয়েলিষ্টিক মূৰ্তি। আচলতে এই সম্পূৰ্ণ বিভ্ৰান্তিৰ সৃষ্টি হৈছে অৰ্লেণ্ডু' ৰাষ্ট্ৰীয়



বিমানবন্দৰত সজাই থোৱা একেবাৰে বাস্তৱ যেন লগা মূৰ্তিটোৰ বাবেই। বিমানবন্দৰত কাঁচৰ বাকচৰ মাজত সজাই থোৱা এই মূৰ্তিটোৰ নাম হৈছে দ্য ট্ৰেভেলাৰ। উল্লেখ্য যে, অৰ্লেণ্ডু' ৰাষ্ট্ৰীয় বিমানবন্দৰে ১৯৮৬ চনত শিল্পী ডুৱেন হেনছনৰ পৰা এই মূৰ্তিটো ক্ৰয় কৰিছিল।আৰু তাৰ পিছৰে পৰাই বিমানবন্দৰৰ ইষ্ট আৰু ৱেষ্ট ছিকিউৰিটি প্লাণ্টৰ মাজৰ টাৰ্মিনেল এৰ সমীপত সজাই থোৱা হৈছে মূৰ্তিটো। ১৯৯৬ চনত শিল্পী ডুৱেন হেনছনৰ মৃত্যু হয় যদিও আজিও তেওঁৰ হাইপাৰ-ৰিয়েলিষ্টিক ভাস্কৰ্য্যই বিশ্বজুৰি চৰ্চা লাভ কৰি আহিছে।

newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান